## নদৰাম [redacted] গল্পটোৰ বিষয়বস্তু আৰু সাধাৰণ আলোচনা

গল্পটোত বৰ্ণিত হৈছে নদৰাম নামৰ এজন সৈনিকৰ জীৱনৰ গাথাৰ কিছু অংশ। তেওঁ বিশ্ব যুদ্ধৰ সময়ত ভাৰতীয় সেনাৰ দলত যোগদান কৰি ফ্ৰান্স আৰু পাছত ইজিপ্ত, মেছোপটেমিয়া আদি অন্যান্য বহু দেশলৈ গৈ যুদ্ধ কৰিছিল। যুদ্ধলৈ যোৱাৰ আগতে তাৰ নিজৰ ঘৰ গোৱালপাৰাত বৃদ্ধ পিতৃ-মাতৃৰ সকলো দায়িত্ব পত্নীৰ হাতত সি গতাই থৈ গৈছিল। ইয়াৰ পৰা 'নদৰাম' চৰিত্ৰটিৰ দেশপ্ৰেমৰ আভাস পোৱা যায়। তেনেদৰে একেখন গাঁৱৰে ছোৱালী এজনীৰ প্ৰেমত পৰি নদৰামৰ বিয়া হোৱা কথাটোৱে তাৰ

হৃদয়ৰ প্ৰেম আৰুনুৱা স্বভাৱৰ পৰিচয় দাঙি ধৰে। আনুষংগিক পিতৃ মাতৃৰ প্ৰতি থকা ভক্তিভাৱ, শ্ৰদ্ধা আৰু দায়িত্ববোধৰো আভাস পোৱা যায়। যুদ্ধ চলি থাকোঁতে চিঠিৰ যোগেদি নন্দৰামে জানিব পাৰিলে যে তাৰ ঘৈণীয়েক ভাটিবামৰ লগত পলাই গৈছে। ভাটিবাম দেখাই-শুনাই স্বাস্থ্যবান আৰু ধুনীয়া, ধন-সম্পত্তি যথেষ্ট। বিয়াৰ আগতে ছোৱালীজনীৰ ভাটিবামৰ লগতো প্ৰীতি আছিল। গতিকে, তাইলৈ পলাই যোৱাত নন্দৰামৰ বিশেষ আপত্তি নাছিল। কিন্তু আপত্তি লাগিছিল— বৃদ্ধ পিতৃ-মাতৃক তেনেকৈ অকলে-আথানি কৰি এৰি যোৱাত। এইখিনি কথাৰ পৰা নন্দৰামৰ হৃদয়ৰ প্ৰকৃত প্ৰেমৰ উমান পোৱা যায়। নিজৰ ঘৈণীয়েকৰ পৰপুৰুষৰ প্ৰতি থকা প্ৰেমৰ কথা জানিও তেওঁৰ আবেগ অনুভূতিক শ্ৰদ্ধা জনাই প্ৰেমৰ ক্ষেত্ৰত চৰম ত্যাগ কৰিবলৈও নন্দৰাম প্ৰস্তুত। কিন্তু পিতৃ মাতৃৰ প্ৰতি অবিচাৰ কৰি ঘৈণীয়েক তেনেকৈ গুচি যোৱাত নন্দৰামৰ মনত কিছু ক্ষোভ জাগিছে। গতিকে, ঘৈণীয়েকক প্ৰথমতে ঘূৰাই আনিবলৈ সকলো প্ৰকাৰে চেষ্টা কৰিবলৈ ধৰিলে। যুদ্ধৰ সময়ত বিদেশত থাকোঁতে নন্দৰামে নিজৰ পত্নীক ঘূৰাই পাবলৈ 'প্লেনচেট'ত আবিৰ্ভাৱ হৈ নিজৰ দুখৰ কথা ব্যক্ত কৰিবলৈ যত্ন কৰিছিল যদিও সুফল পোৱা নাছিল।

'প্লেনচেট'ত ভূত-প্ৰেত ওলায় বুলিও কিছুমানে বিশ্বাস কৰিছিল। আন কিছুমানে আকৌ ই এটা মস্ত ফাঁকিবাজি বুলি ভাবিছিল। 'প্লেনচেট'ৰ যোগেদি নন্দৰামে ঘৈণীয়েকক পাব বিচৰা কথাটোত মাজেদি 'নন্দৰাম'ৰ নিজৰ ঘৈণীয়েকৰ প্ৰতি থকা প্ৰেমৰ অনুমান কৰিব পাৰি। তেনেদৰে কিছু পৰিমাণে ই হাস্যৰসৰো যোগান ধৰিছে। অসহায় মানুহৰ অন্ধবিশ্বাস, কুসংস্কাৰ আদিৰ প্ৰতি থকা বিশ্বাসৰ ছবি এখনো ই প্ৰকাশ কৰিছে। অৱশ্যে 'প্লেনচেট'ৰ প্ৰসংগই গল্পটোৰ বাস্তৱিকতা বঢ়াই তুলিছে। তাৰ মাজেদি গল্পকাৰে 'নন্দৰাম'ৰ জীৱনৰ এটি মূল সমস্যা উপস্থাপন কৰিবলৈ যত্ন কৰিছে। মুঠতে, 'প্লেনচেট'ত নন্দৰামৰ আবিৰ্ভাৱ আৰু তেওঁৰ মানসিক সংঘাত উপস্থাপন কৰিবলৈ যত্ন কৰাত সি যথেষ্ট বাস্তৱসম্মত হৈছে। কিয়নো বিদেশত থকা অসহায় নন্দৰামৰ হাতত অইন একো উপায় নাছিল, যাৰ দ্বাৰা তেওঁ ঘৈণীয়েকক ওভোতাই পাব পাৰে। তদুপৰি তাৰ যোগেদি পাঠকৰ কৌতূহল জগাই তোলাৰ লগতে কাহিনীৰ সৈতে একাত্ম হোৱাৰ সুযোগ লাভ কৰিছে।

সেই ঘটনাটো শুনি তেতিয়াই যুদ্ধৰ পৰা ঘৰলৈ উভতি নাহি যুদ্ধ শেষ হোৱাৰ পাছতহে নন্দৰাম ঘৰলৈ উভতি আহিছে। ইয়ে নন্দৰাম চৰিত্ৰৰ কৰ্তব্যবোধ, দায়িত্ববোধ, আৰু দেশপ্ৰেমৰ ভাব দাঙি ধৰে। ঘৰলৈ আহি নন্দৰামে আইনৰ সহায় ল'ব বিচাৰিলে। নন্দৰামে হাকিমৰ ওচৰত উপস্থিত হৈ সহায় বিচাৰিলে। কিন্তু হাকিমৰ উন্নাসিক তথা মেজাজী স্বভাৱত বিৰক্ত হৈ অসমীয়া মানুহ হৈও অসমীয়াক সহায় নকৰা বাবে তেওঁৰ ওচৰত ক্ষোভ উজাৰি গুচি গ'ল। এইখিনিতে বেজবৰুৱা আৰু গোস্বামীৰ মাজত বিশেষ পাৰ্থক্য পৰিলক্ষিত হয়। অসমীয়া চাহাবসকলক বেজবৰুৱাই যিদৰে তীব্ৰ বাক্য-বাণেৰে

আত্মসমৰ্পণ কৰি ধৰাত ৰাখিছে, গোস্বামীয়ে নিজৰ প্ৰেমটিক পাবলৈ একো নাই। দুখিয়া চাহাবৰ কেনেকৈ হাকিমী চৰকাৰত আপোন সেই তেওঁ বুলি উপলব্ধি কৰি নিজৰ প্ৰেম ত্যাগ কৰিলে আৰু নদৰামক পুনৰ ঘৰলৈ ঘূৰাই আনিলে। গতিকে, ইয়াৰ পৰা আমি যদিও শান্তিৰ নহয়। পত্নীক নদৰামে ওচৰৰ বাগানলৈ যায়। পত্নীৰ নদৰামক জনালে যে নদৰামৰ দুই এদিনাতে ওচৰৰ গাঁৱলৈ আহিব। নদৰামে কৰ্তৃত্বব্যঞ্জক কথাৰে অনেকবাৰ কৰ্তাজনৰ পিতৃচিনাই গাঁওবুঢ়া, যেহেতু আধিক সেই গাঁৱৰ সত্তা পাতি বিচাৰ কৰিলে। নদৰামক নিজৰ পত্নী ঘূৰাই দিলে আৰু ভাটিৰামক সুদূৰ হাজোলৈ চালান দিয়াৰ নিৰ্দেশ দিলে। নদৰামৰ কাষলৈ তেওঁৰ পত্নীয়ে ঘূৰি আহিব নিবিচাৰিলে আৰু সেই বাবে কৰ্তাজনে তাইকো হাজোতলৈ পঠোৱাৰ নিৰ্দেশ জাৰি কৰিলে। কিন্তু ঘৈণীয়েকৰ মনৰ ভাব জানিব পাৰি নদৰামৰ মনৰ পৰিৱৰ্তন হ'ল। এই পৰিৱৰ্তন আকস্মিক যদিও অস্বাভাৱিক নহয়। যুদ্ধৰ বাবে নদৰামে দাম্পত্য জীৱনৰ বেছিভাগ সময় ঘৰৰ পৰা দূৰৈত থকাত ঘৈণীয়েকক সংগসুখ দিব পৰা নাছিল। সেয়ে নদৰামৰ ঘৈণীয়েকে ভাটিৰামলৈ পলাই যায়। গতিকে সেই কথাৰ পৰা অনুমান কৰিব পাৰি যে ঘৈণীয়েকৰ প্ৰতি নদৰামৰ আন্তৰিক প্ৰেম আছিল যদিও ঘৈণীয়েকৰ মনত হয়তো তেনে প্ৰেম নাছিল। হয়তো গিৰিয়েকৰ সংগ সুখৰ পৰা বঞ্চিত হৈ পাৰ্থিৱ কামনা-বাসনা, বয়-বস্তুৰ সুখ আৰু শাৰীৰিক সম্পৰ্কক অধিক গুৰুত্ব দি ঘৈণীয়েকে নদৰামক ত্যাগ কৰি আইন পুৰুষলৈ পলাই যায়। গতিকে এইক্ষেত্ৰত ঘৈণীয়েক যেন পাৰ্থিৱ ভোগৰ প্ৰতিমূৰ্তি। তাৰ বিপৰীতে প্ৰকৃত প্ৰেমৰ তাড়নাত নদৰামে ঘৈণীয়েকৰ শান্তিৰ বাবে চৰম ত্যাগ কৰিবলৈও প্ৰস্তুত। প্ৰেমৰ এই অভিব্যক্তি এই কথাখিনিৰ মাজেদি স্পষ্ট ৰূপত প্ৰতিভাত হৈছে। দাম্পত্য জীৱনৰ সফলতা আৰু সুখৰ বাবে জোৰকৈ কাৰোবাক পত্নী কৰি ৰাখিলে আচল মানসিক শান্তি পোৱা নাযায়। এই কথা বুজিব পাৰি নদৰামৰ মানসিক পৰিৱৰ্তন হ'ল আৰু বৰচাহাবৰ ওচৰলৈ গৈ ভাটিৰামৰ খালাচৰ বাবে প্ৰাৰ্থনা জনালে। বৰচাহাবেও নদৰামৰ মনৰ উদাৰতা আৰু মহানুভৱতাৰ সৈতে পৰিচয় হৈ খালাচ কৰি দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিলে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে শৰৎ চন্দ্ৰ গোস্বামীৰ অন্য বহুতো গল্পৰ দৰে 'নদৰাম' গল্পতো প্ৰেমৰেই এক অভিব্যক্তি ফুটি উঠিছে। তদুপৰি দাম্পত্য জীৱনত স্বাভাৱিক কামনা-বাসনাৰ পূৰণৰ প্ৰয়োজনীয়তাও আওপকীয়াকৈ ইংগিতেৰে দাঙি ধৰা হৈছে। যুদ্ধৰ বাবে বহু দিন ঘৰৰ পৰা আঁতৰত থকা নদৰামৰ সৈতে ঘৈণীয়েকৰ বিচ্ছেদেই যেন আওপকীয়াকৈ পূৰ্বৰ প্ৰেমিক ভাটিৰামলৈ ঘৈণীয়েকক পলাই যোৱাত ইন্ধন যোগাইছিল। অৱশ্যে এই ক্ষেত্ৰত শাৰীৰিক কামনা- বাসনাতকৈও আন্তৰিক প্ৰেমৰ অভাৱেহে তেওঁলোকৰ দাম্পত্য জীৱন অসফল কৰিছিল। বৈবাহিক জীৱনত বাহ্যিক বান্ধোনৰ নিষ্ফলতা ইয়াত প্ৰতিফলিত হৈছে।

'নদৰাম' গল্পটোৰ মূল চৰিত্ৰটো হ'ল 'নদৰাম'। গল্পটি মূল চৰিত্ৰৰ নামেৰে নামকৰণ কৰি 'নদৰাম'ৰ অন্তৰৰ মহানুভৱতা দাঙি ধৰিব বিচৰা হৈছে। গোস্বামীৰ অন্য

বহু গল্পৰ তুলনাত এইটো গল্পত চৰিত্ৰৰ বিকাশ পৰিলক্ষিত হোৱা দেখা যায়। নদৰাম চৰিত্ৰটোৰ বিকাশৰ ক্ষেত্ৰত যি মানসিক পৰিৱৰ্তনৰ ইংগিত দিছে, তাত অন্তৰ্দ্বন্দ্বৰ প্ৰকাশ ঘটিলে সি আৰু বেছি আকৰ্ষণীয় হৈ পৰিলেহেঁতেন। নদৰামৰ চৰিত্ৰত প্ৰেম আকাংক্ষা, পিতৃ-মাতৃৰ প্ৰতি শ্ৰদ্ধা আৰু দায়বদ্ধতা, দেশপ্ৰেম আৰু সৈনিক হিচাপে শৃংখলাবদ্ধ আৰু আত্মবিশ্বাসযুক্ত ব্যৱহাৰ, আত্মসন্মানবোধ, মানৱীয় দৃষ্টিভংগীৰ প্ৰকাশ ঘটিছে। গল্পটিত অন্য কিছুমান চৰিত্ৰৰ উপস্থাপন হৈছে যদিও বিকাশ হোৱা নাই। হাকিম চৰিত্ৰৰ যোগেদি অসমীয়া চাহাবৰ উচ্চাত্মিকাবোধ আৰু বৰচাহাবৰ যোগেদি ন্যায় পৰায়ণতা কৰ্তব্যবোধ আদি দিশ ফুটি ওলাইছে। তেনেদৰে নদৰামৰ ঘৈণীয়েকৰ চৰিত্ৰত প্ৰকৃত প্ৰেমৰ প্ৰকাশ ঘটা দেখা নাযায়। কিয়নো বিয়াৰ পূৰ্বে ভাটিৰাম আৰু নদৰাম— দুয়োৰে লগত প্ৰেমৰ সম্পৰ্ক আছিল আৰু বিয়াৰ পাছত নদৰামৰ সৈতে সংসাৰ কৰি পুনৰ ভাটিৰামৰ ওচৰলৈ পলাই যোৱা কথাটোৱে তাইৰ আন্তৰিক প্ৰেমৰ অভাৱৰ কথাটোকে দাঙি ধৰে। হয়তো নদৰামৰ সংগ সুখৰ পৰা বঞ্চিতা ঘৈণীয়েকে শাৰীৰিক সুখকে প্ৰাধান্য দি তাকেই প্ৰেম বুলি ধৰি লৈছিল। তদুপৰি এটি অসন্তুষ্ট মনৰ ইংগিত দি ভোগ-বিলাস, বয়-বস্তুৰ প্ৰতি নাৰীমনৰ স্বাভাৱিক আকৰ্ষণকো ঘৈণীয়েকে তেওঁৰ কাৰ্যৰ যোগেদি দাঙি ধৰিছে। এই ক্ষেত্ৰত নিৰ্মলপ্ৰভা বৰদলৈৰ আধুনিক কবিতা 'দ্ৰৌপদী'ৰ কথাবস্তুলৈ আমি আঙুলিয়াব পাৰোঁ।